দৈনিক অগ্ৰদূত
গুৱাহাটী, ৫ এপ্ৰিল, ২০২৫, শনিবাৰ পৃষ্ঠা ১১



# দিশপুৰ মহাবিদ্যালয়ত নেহুৰ প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভা সম্পন্ন

**গুৱাহাটী, ৪ এপ্ৰিল ঃ** আজি অসম শাখাৰ নেহু বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ উদ্যোগত আৰু দিশপুৰ মহাবিদ্যালয়ৰ সহযোগত প্ৰতিমা বৰুৱা পাণ্ডে প্ৰেক্ষাগৃহত নেহুৰ প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ অধিবেশন অনুষ্ঠিত হয়। দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত এই সন্মিলনীত প্ৰথম দিনাখনৰ উদ্বোধনী অনুষ্ঠান নেহুৰ প্ৰাণীবিজ্ঞান বিভাগৰ ভূতপূৰ্ব প্ৰাধ্যাপক আৰ. জৰ্জ মাইকেল মহাশয়ৰ নামত উছৰ্গা কৰা সভাখন গুৰু বন্দনা, সৰস্বতী বন্দনা আৰু বন্তি প্ৰজ্বলনেৰে আৰম্ভ হয়। প্ৰাক্তন ছাত্ৰ সন্মিলনখনৰ সভাপতিত্ব কৰে তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° ঋষি দাসে। সন্মিলনৰ সাংগঠনিক সম্পাদক তথা ইউ.এছ.টি.এম. বিশ্ববিদ্যালয়ৰ সম উপাচাৰ্য লগতে দিশপুৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে সমূহ প্ৰতিনিধিবৰ্গক আদৰণি জনায়। দিশপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই তেওঁৰ ভাষণত প্ৰতিষ্ঠাকালৰ পৰা বৰ্তমানলৈকে মহাবিদ্যালয়খনৰ ইতিহাস দাঙি ধৰাৰ লগতে নেহু বিশ্ববিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীসকলক অভিবাদন জনায়। নাগালেণ্ড বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য আৰু ইউ.এছ.টি.এম. বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ উপাচাৰ্য অধ্যাপক জি.ডি.শৰ্মাই নেহুৰ প্ৰাণীবিজ্ঞান বিভাগৰ ইতিহাস দাঙি ধৰাৰ লগতে স্মৃতি ৰোমন্থন কৰি এনেধৰণৰ প্ৰাক্তন ছাত্ৰ সন্মিলনে পৰস্পৰৰ মাজত ভাব বিনিময়ৰ সুবিধা প্ৰদান কৰাৰ উপৰি জ্ঞান বৃদ্ধিৰ পৰিৱেশ ৰচনা কৰে বুলি মন্তব্য কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক লগতে বিশিষ্ট পৰিৱেশবিদ পৰিমল ভট্টাচাৰ্যদেৱে 'বন্যপ্ৰাণী আৰু প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰত নতুন পদ্ধতি' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। সভাত ভাৰতৰ প্ৰাণীবিজ্ঞান জৰীপ বিভাগৰ প্ৰাক্তন সঞ্চালক ড° জে.আৰ.বি. আলফ্ৰেড আৰু নেহু বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰাক্তন প্ৰাধ্যাপক পি.কে. প্ৰভাকৰণেও বক্তৃতা প্ৰদান কৰে।

এই সভাতেই অষ্ট্ৰেলিয়াৰ ছিডনী বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° ৰবীন্দৰ কৌৰ বালিৰ সম্পাদনাত প্ৰকাশিত স্মৃতি গ্ৰন্থখন উন্মোচন হয়। ১৯৯২ৰ প্ৰাক্তন ছাত্ৰী পম্পা হাজৰাই অনুষ্ঠানটোৰ আঁত ধৰে। বিয়লি দিশপুৰ মহাবিদ্যালয় আৰু নেহু বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশিত সাংস্কৃতিক দিনটোৰ কাৰ্যসূচী সামৰণি পৰে।